



■ উন্নয়নৰ নমুনা। ৰাজ্য চৰকাৰৰ এবছৰীয়া বৰ্ষপূৰ্তিৰ সময়তে দ্বাৰকা নগৰ-চচল পথ আৰু উলাবাৰী-মাজাৰ পথৰ দুৰৱস্থা

## জ্যোতিকুছিত পথ অৱৰোধ স্থানীয় ৰাইজ, যুৱ-ছাত্ৰ পৰিষদৰ

### লালগণেশত স্থানীয় বিধায়কৰ বিৰুদ্ধে ক্ষোভ



**প্ৰতিদিন মহানগৰ সেৱা, খানাপাৰা, ২৭ মে’ ঃ** পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ বিৰুদ্ধে আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় ৰাইজ তথা পশ্চিম গুৱাহাটী যুৱ-ছাত্ৰ পৰিষদৰ আঞ্চলিক সমিতিয়ে। লালগণেশৰ জ্যোতিকুছি-ঢপলীয়া পথছোৱা নিৰ্মাণ কৰাৰ দাবীত আজি প্ৰায় ২ ঘণ্টা সময় উক্ত পথটো অৱৰোধ কৰে যুৱ-ছাত্ৰ পৰিষদে। বিধ্বস্ত যাতায়াত ব্যৱস্থাত ক্ষুব্ধ হৈ স্থানীয় বিধায়ক আৰু বিভাগীয় কৰ্তৃপক্ষৰ বিৰুদ্ধে আজি সাব্যস্ত কৰে প্ৰতিবাদ। প্ৰতিবাদকাৰীৰ অভিযোগ অনুসৰি দীৰ্ঘদিনে জৰাজীৰ্ণ পথটোৰ নিৰ্মাণৰ দাবী বিধায়কগৰাকীক জনাই আহিছিল ৰাইজে। কিন্তু ৰাইজে বাৰম্বাৰ দাবী জনাই অহাৰ পিচতো ৰাজপথটো নিৰ্মাণৰ ক্ষেত্ৰত বিধায়কগৰাকীয়ে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। স্থানীয় ৰাইজে উপায়হীন হৈ যুৱ-ছাত্ৰ পৰিষদৰ সহযোগত আজি পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখযোগ্য যে যোৱা ছমাহত অঞ্চলটোৰ ৰাইজে ৫ বাৰকৈ পথছোৱা নিৰ্মাণৰ বাবে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছে যদিও সফল হোৱা নাই।

## পৌৰ নিগমৰ উচ্ছেদৰ বিৰোধিতা ঃ হেমবৰুৱা ৰোডৰ পদপথ ব্যৱসায়ীৰ প্ৰতিবাদত উত্তাল ফাঁচীবজাৰ



**প্ৰতিদিন মহানগৰ সেৱা, গুৱাহাটী, ২৭ মে’ ঃ** গুৱাহাটী পৌৰ নিগমৰ (জি এম চি) উচ্ছেদ কাৰ্যৰ বিৰুদ্ধাচৰণ কৰি আজি হেম বৰুৱা ৰোডৰ পদপথ ব্যৱসায়ীসকলে কৰা প্ৰতিবাদত উত্তাল হয় ফাঁচীবজাৰ। পুৱা প্ৰায় ১০ বজাত হেম বৰুৱা ৰোডৰ পথ-পদপথত বছৰৰ পিচত বছৰ ধৰি ব্যৱসায় চলাই অহা ব্যৱসায়ীসকলক পৌৰ নিগমে বিগত সময়ত উচ্ছেদ চলোৱাৰ বিৰুদ্ধে আজি এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা বুলি প্ৰতিবাদকাৰীসকলে জানিবলৈ দিয়ে। প্ৰতিবাদকাৰীসকলে পৌৰ নিগম হায় হায়, জি এম চিৰ উচ্ছেদ কাৰ্য মানি লোৱা নহ’ব, পথ-পদপথ ব্যৱসায়ীৰ বাবে মহানগৰীত ভেণ্ডিং জ’ন স্থাপন কৰক আদি ধৰ্ণা দি পৰিস্থিতি উত্তাল কৰি তোলে। কেইগৰাকীমান প্ৰতিবাদকাৰীয়ে জনোৱামতে গুৱাহাটী পৌৰ নিগমে বিগত কেইমাহমানৰ পৰা পদপথ ব্যৱসায়ীসকলক যেতিয়াই-তেতিয়াই উচ্ছেদ কৰি আহিছে। পদপথত ক্ষুদ্ৰ ব্যৱসায় কৰি পৰিয়াল পোহপাল দি অহা ব্যৱসায়ীসকলক নিগমে এনেদৰে উচ্ছেদ কৰাত তেওঁলোকৰ পৰিয়ালত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। আনকি বহু পৰিয়ালৰ সদস্যই অনাহাৰ-অনিদ্ৰাত দিন কটাবলগীয়া হোৱা বুলিও আজি কেইগৰাকীমান প্ৰতিবাদকাৰীয়ে উপস্থিত সাংবাদিকক জানিবলৈ দিয়ে। তেওঁলোকে মহানগৰীৰ বিভিন্ন স্থানৰ পদপথত ব্যৱসায় কৰি পৰিয়াল পোহপাল দি অহা ব্যৱসায়ীসকলক উচ্ছেদ নকৰিবলৈ গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তক ইতিমধ্যে স্মাৰকপত্ৰযোগে অৱগত কৰিছে যদিও বিষয়টোত জি এম চি কৰ্তৃপক্ষই কোনো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা নাই। জধে-মধে পদপথ ব্যৱসায়ীক উচ্ছেদ কৰা নিগমে উক্ত ব্যৱসায়ীসকলৰ বাবে ভেণ্ডিং জ’ন স্থাপন নকৰাত আজি প্ৰতিবাদকাৰীসকলে ক্ষোভ প্ৰকাশ কৰে। তেওঁলোকে ভেণ্ডিং জ’ন স্থাপন নোহোৱাপৰ্যন্ত পদপথ ব্যৱসায়ীক উচ্ছেদ নকৰিবলৈ জি এম চিক আহ্বান জনায়।

### স্নাতক পৰীক্ষাৰ ফলাফল বিসংগতি

## ৫-৬ জুনত নিষ্পত্তিকৰণ

**প্ৰতিদিন মহানগৰ সেৱা, জালুকবাৰী, ২৭ মে’ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়ৰ স্নাতক কলা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ যিসকল ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ মাৰ্কশ্বিট, গ্ৰেডশ্বিট সম্বন্ধীয় কোনো সমস্যা আছে নাইবা পূৰ্বে জমা দিয়া আবেদনৰ উত্তৰ বৰ্তমানলৈ লাভ কৰা নাই, সেইসকল শিক্ষাৰ্থীক পাঁচ-ছয় জুনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ নতুন পৰীক্ষা প্ৰশাসন ভৱনত উপস্থিত হ’বলৈ কৰ্তৃপক্ষই আহ্বান জনাইছে। এখন প্ৰেছ বিবৃতিযোগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষাসমূহৰ উপ-নিয়ন্ত্ৰক ড° দেৱহৰি তালুকদাৰে জানিবলৈ দিয়ামতে, উক্ত দুয়োটা দিনতে শিক্ষাৰ্থীৰ সমস্যাসমূহ নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰা হ’ব।



■ ৰবীন্দ্ৰ ভৱনত নৃত্য-নাটিকা মাজুলীৰ এটি মুহূৰ্ত, শুকুৰবাৰে সন্ধিয়া

## জি এম চিৰ কমিচনৰ অংক ঃ ব্যৱসায়ীৰ পৰা যুৱকৰ দলে সংগ্ৰহ কৰে গুণ্ডাকৰ

# বি কে কাকতী পথত অবৈধ বজাৰ



**প্ৰতিদিন মহানগৰ সেৱা, গুৱাহাটী, ২৭ মে’ ঃ** দুমুখীয়া নীতি গ্ৰহণ কৰিছে গুৱাহাটী পৌৰ নিগমে (জি এম চি)। এফালে যান-জঁট দূৰীকৰণৰ বাবে পথ-পদপথৰ ব্যৱসায়ীক উচ্ছেদ চলাইছে আৰু আনফালে কমিছনৰ অংকত এচামক পদপথৰ ওপৰতে ব্যৱসায় চলাই যোৱাৰ সুবিধা দি আহিছে নিগমৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীয়ে। সৌ-সিদিনা বামুণীমৈদামৰ পদপথত শাক-পাচলি বিক্ৰী কৰা পুৰুষ-মহিলাসকলক চি আৰ পি এফৰ হতুৱাই উচ্ছেদ চলোৱা পৌৰ নিগম কৰ্তৃপক্ষৰ পৃষ্ঠপোষকতাতে শেহতীয়াকৈ বি কে কাকতী আৰু ৰামকৃষ্ণ মিছন পথৰ দাঁতিত অবৈধভাৱে গঢ়ি উঠিছে শাক-পাচলি, মাছ-মাংসৰ দোকান। প্ৰাপ্ত অভিযোগ অনুসৰি নিগমৰ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰ আশিসপুষ্ট ছয় যুৱকে উক্ত পথ দুটাত শাক-পাচলি, মাছ-মাংস বিক্ৰীৰ বাবে বহা ব্যৱসায়ীসকলৰ পৰা নিতৌ গুণ্ডাকৰ সংগ্ৰহ কৰি আহিছে। নিগমৰ একাংশ বিষয়া-কৰ্মচাৰীৰ সেউজ সংকেত লাভ কৰি যুৱকৰ দলটোৱে নিতৌ পুৱা-গধূলি উলুবাৰীৰ পৰা চেৰাপভাটিপৰ্যন্ত বি কে কাকতী ৰোডৰ পথ-পদপথ দখল কৰি বহা ব্যৱসায়ীসকলৰ পৰা ২০ টকাৰ পৰা ১০০ টকাপৰ্যন্ত গুণ্ডাকৰ সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। দিনকদিনে উক্ত স্থানত ব্যৱসায়ীৰ সংখ্যা বৃদ্ধি পাই অহাত বি কে কাকতী আৰু ৰামকৃষ্ণ মিছন পথত বহু সময়ত তীব্ৰ যান-জঁটৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে অন্যতম গুৰুত্বপূৰ্ণ বি কে কাকতী আৰু ৰামকৃষ্ণ মিছন পথৰ দাঁতিত আছে আৰক্ষী সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ৰ লগতে কৃষি বিভাগৰ কাৰ্যালয়, শিশু সাৰথি, ভাৰতীয় শিশু কল্যাণ পৰিষদ, ত্ৰিপুৰা ভৱন, শ্ৰীঅৰবিন্দ বিদ্যা মন্দিৰ এল পি স্কুল, শ্ৰীঅৰবিন্দ বিদ্যা মন্দিৰ হাইস্কুলৰ লগতে আন বহু চৰকাৰী বিভাগ-শিক্ষানুষ্ঠান। নিতৌ পুৱা প্ৰায় ৬ বজাৰ পৰা উক্ত দুয়োটা পথৰ দাঁতি বেদখল কৰি ব্যৱসায়ীসকলে পতা দোকান-বজাৰৰ বাবে ছাত্ৰ-ছাত্ৰী সময়মতে স্কুল নাপায়গৈ। আকৌ উক্ত অঞ্চলৰ পৰা অফিচ-কাছাৰীলৈ বুলি ওলাই অহা লোকসকলো বহু সময়ত তীব্ৰ যান-জঁটৰ বাবে পথৰ মাজতে আবদ্ধ হৈ থাকিবলগীয়াত পৰে। মহানগৰীৰ পথ-পদপথৰ ব্যৱসায়ীক উচ্ছেদ কৰাৰ বাবে উঠি-পৰি লগা নিগম কৰ্তৃপক্ষই উক্ত দুয়োটা পথৰ দাঁতিত বহা ব্যৱসায়ীসকলক একমাত্ৰ কমিছনৰ অংকতে ব্যৱসায় চলাই যোৱাৰ বাবে সেউজ সংকেত দিয়া বুলিও বিভিন্নজনে জানিবলৈ দিয়ে। জানিব পৰামতে নিতৌ পুৱাৰ পৰা গধূলিলৈ বি কে কাকতী পথত উলুবাৰীৰ পৰা চেৰাপভাতীপৰ্যন্ত প্ৰায় ২২০ খন শাক-পাচলিৰ দোকানৰ লগতে ৩৫ খন মাছ-মাংসৰ দোকান বহে। উক্ত শাক-পাচলি আৰু মাছ-মাংসৰ ব্যৱসায়ীসকলৰ পৰা নিগমৰ আশিসপুষ্ট যুৱকৰ দলটোৱে ২০ আৰু ১০০ টকাকৈ সংগ্ৰহ কৰা বুলিও অভিযোগত প্ৰকাশ। আকৌ বি কে কাকতী ৰোড সংযোগস্থলৰ পৰা ত্ৰিপুৰা ভৱনপৰ্যন্ত ৰামকৃষ্ণ মিছন পথৰ দাঁতিত নিতৌ শাক-পাচলিৰ দোকান প্ৰায় ৩০০ খন আৰু মাছ-মাংসৰ দোকান ৫০ খন বহে বুলিও জানিব পৰা গৈছে। উক্ত শাক-পাচলিৰ ব্যৱসায়ীসকলৰ পৰা দলটোৱে ৩০ টকা আৰু মাছ-মাংস ব্যৱসায়ীৰ পৰা ১০০ টকাপৰ্যন্ত সংগ্ৰহ কৰা বুলিও অভিযোগত প্ৰকাশ। যুৱকৰ দলটোক ধন দিবলৈ অস্বীকাৰ কৰিলেই বিপদত পৰে ব্যৱসায়ীসকল। বহু সময়ত যুৱকৰ দলটোৱে বিচৰা ধন নোপোৱা বাবেই কেইবাগৰাকী ব্যৱসায়ীৰ গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰা ঘটনাও ঘটিছে। উক্ত দুয়োটা পথৰ দাঁতি দখল কৰি ব্যৱসায় চলাই যোৱাসকলৰ পৰা যুৱকৰ দলটোৱে ধন সংগ্ৰহ কৰাৰ সময়ত স্থানীয় থানাৰ আৰক্ষী উপস্থিত থাকে যদিও দলটোক আটক কৰাৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগি অহা ৰাইজে উক্ত পথ দুটাৰ দুয়োকাষে থকা অবৈধ বজাৰ শীঘ্ৰে উচ্ছেদ কৰাৰ দাবী জনাইছে।

## যোৱাবাটত আমভৰ্তি ডি আই দুৰ্ঘটনাগ্ৰস্ত

### গুৰুতৰভাৱে আহত চালক



**প্ৰতিদিন মহানগৰ সেৱা, গুৱাহাটী, ২৭ মে’ ঃ** মহানগৰীৰ যোৱাবাটত আজি পুৱা এখন টাটা ডি আই দুৰ্ঘটনাত পতিত হয়। এই ঘটনাত চালক ছৰিফুল ইছলাম আৰু বাহনখনত থকা মহিলা ভাগৰতী নামৰ আন এজন লোক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় বুলি আৰক্ষী সূত্ৰই জানিবলৈ দিছে। সূত্ৰটোৱে জনোৱামতে খানাপাৰাৰ পৰা নগাঁও অভিমুখী বাহনখন পুৱা প্ৰায় ৭ বজাত যোৱাবাটৰ পাহাৰ পথৰ দাঁতিত নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰে। আমভৰ্তি বাহনখন বাগৰি পৰাৰ পিচতে আমৰ কাৰ্টনসমূহ বাহনখনৰ পৰা ওলাই আহে। পিচত ঘটনাস্থলীত যোৱাবাট আৰক্ষী উপস্থিত হৈ এ এছ-২৫ এ চি-৫০২৬ নম্বৰৰ দুৰ্ঘটনাত পতিত হোৱা বাহনখনত আবদ্ধ হৈ থকা ছৰিফুল ইছলাম আৰু মহিলা ভাগৰতীক উদ্ধাৰ কৰি সোণাপুৰ জিলা হাস্পতাললৈ প্ৰেৰণ কৰে। এই লৈ আজি অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হয়। আৰক্ষীয়ে বাহনখন জব্দ কৰিছে বুলি জানিব পৰা গৈছে।

## ফটাশিল আমবাৰীত দুৰ্ঘটনা আহত ব্যক্তিৰ জি এম চি এইচত মৃত্যু

**প্ৰতিদিন মহানগৰ সেৱা, গুৱাহাটী, ২৭ মে’ ঃ** ফটাশিল আমবাৰীত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হোৱা এজন অচিনাক্ত লোকৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। ফটাশিল আমবাৰী থানাৰ যান-বাহন নিয়ন্ত্ৰণ শাখাৰ আৰক্ষীৰ এক সূত্ৰই জনোৱামতে নিশা প্ৰায় ১১ বজাত ফটাশিল আমবাৰীৰ বেটেলিয়ন গে’টত পথ পাৰ হৈ থকা অৱস্থাতে ব্যক্তিজনক এখন তীব্ৰবেগী মটৰ চাইকেলে খুন্দা মাৰে। দুৰ্ঘটনা সংঘটিত কৰিয়েই মটৰ চাইকেলখন চলাই আৰোহীজনে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আৰক্ষীয়ে আহত লোকজনক উদ্ধাৰ কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰায় যদিও আজি চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। প্ৰায় চাৰি ফুট উচ্চতাৰ ক’লা পেণ্ট আৰু সেউজীয়া টি ছাৰ্ট পৰিহিত লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ অন্তত চিনাক্তকৰণৰ বাবে ৭২ ঘণ্টা জি এম চি এইচৰ মৰ্গত ৰখা হৈছে বুলিও সূত্ৰটোৱে জানিবলৈ দিয়ে।

## জাপৰিগোগ সাহিত্য সভাৰ আলোচনাচক্ৰ

**গুৱাহাটী, ২৭ মে’ ঃ** জাপৰিগোগ সাহিত্য সভাৰ এখন আলোচনাচক্ৰ অলপতে জাপৰিগোগ জনজাতি যুৱক সংঘৰ খেলপথাৰত অনুষ্ঠিত হয়। সভাত কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ উপ-সভাপতি সবিতা দেৱী, জাপৰিগোগ সাহিত্য সভাৰ উপ-সভাপতি দুৰ্লভ গোস্বামী, উপদেষ্টা প্ৰদীপ কুমাৰ ভট্টাচাৰ্য, গল্পকাৰ ৰিজু হাজৰিকা প্ৰমুখ্যে অঞ্চলটোৰ বহু লোক উপস্থিত থাকে। সভাত সভাপতিত্ব কৰে জাপৰিগোগ সাহিত্য সভাৰ সভাপতি ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাই। উক্ত সভাতেই জাপৰিগোগ সাহিত্য সভাৰ যোগেদি জাপৰিগোগৰ পৰা অসম সাহিত্য সভাৰ হিতৈষী সভ্য আৰু আজীৱন সভ্য পদ গ্ৰহণ কৰা ৮২ জন সদস্যক অসম সাহিত্য সভাই স্বীকৃতি প্ৰদান কৰি দিয়া পত্ৰসমূহ সভাপতি শৰ্মাই বিতৰণ কৰে। নিমন্ত্ৰিত অতিথি সাহিত্যিক, গল্পকাৰ ৰিজু হাজৰিকাই ‘অসমীয়া চুটিগল্পৰ ধাৰা’ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। কণমানি ছাত্ৰী প্ৰিয়ংকা গোস্বামীয়ে বৰগীত, মেঘালী বণিয়াই লোকগীত গাই উপস্থিত ৰাইজক আপ্লুত কৰে। সভাত ৰীণা শৰ্মা আৰু ৰাজশ্ৰী শৰ্মাই কবিতা আবৃত্তি কৰে। স্ব-ৰচিত কবিতা- নমিতা দাস, মৃদুলা কলিতা ডেকা, ননী দেৱী আৰু মিলু শৰ্মাই পাঠ কৰে।



■ গঁড় সংৰক্ষণৰ সজাগতাৰে মহানগৰীত দেৱাল অংকন

## অনুব্ৰত সমিতি চিত্ৰাংকণ প্ৰতিযোগিতা আজি বঁটা বিতৰণী

**গুৱাহাটী, ২৭ মে’ ঃ** অনুব্ৰত সমিতিৰ উদ্যোগত আজি তেৰাপন্থ ভৱনত এখন চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাৰ বিজয়ীসকলক ২৮ মে’ত দিনৰ ১০ বজাত হ’বলগীয়া এখন সভাত বঁটাসমূহ প্ৰদান কৰা হ’ব। বঁটা প্ৰদান সভাখন ফাঁচীবজাৰৰ তেৰাপন্থ ভৱনত অনুষ্ঠিত হ’ব।

## পশ্চিম গুৱাহাটী কলেজত চিত্ৰাংকণ প্ৰতিযোগিতা

**প্ৰতিদিন মহানগৰ সেৱা, জালুকবাৰী, ২৭ মে’ ঃ** পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনৰ উদ্যোগত ২৮ মে’ত মহাবিদ্যালয়খনৰ চৌহদত এখন চিত্ৰাংকণ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। দিনৰ দহ বজাৰ পৰা অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাখন তিনিটা শাখাত অনুষ্ঠিত হ’ব। প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ ক শাখা, পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ খ শাখা আৰু নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ গ শাখাত অনুষ্ঠিত হ’ব। সবিশেষ জানিবলৈ ৮৪৮৬৭-৯৭৩৯৩ আৰু ৮৪০৪০-৬২৬৫০ নম্বৰত যোগাযোগ কৰিব পাৰিব।



■ এক্সট্ৰা প্ৰিমিয়াম কুইজ প্ৰতিযোগিতাৰ বিজয়ীসকলক বঁটা প্ৰদানৰ মুহূৰ্ত, শনিবাৰে

## মঠঘৰীয়া সাহিত্য সভাৰ বৈঠক

**গুৱাহাটী, ২৭ মে’ ঃ** মঠঘৰীয়া শাখা সাহিত্য সভাই ২১ মে’ত ২নং মঠঘৰীয়াস্থিত শ্ৰীনগৰ প্ৰাথমিক বিদ্যালয়ত এখন সাহিত্য বৈঠক অনুষ্ঠিত কৰে। শাখা সাহিত্য সভাৰ স্থায়ী সভাপতি কামেশ্বৰ কলিতাৰ সভাপতিত্বত বৈঠকখনত পৰ্যালোচক হিচাপে উপস্থিত থাকে গুৱাহাটী কমাৰ্চ কলেজৰ উপাধ্যক্ষ তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° পূৰ্ণ ভট্ট। কেইবাগৰাকী নবীন লেখক-লেখিকাই স্ব-ৰচিত গল্প, কবিতা, প্ৰবন্ধ আদি পাঠ কৰে। বৈঠকত মোহন চক্ৰৱৰ্তী, বলোদেৱ দাস, বিষ্ণু কলিতা, বন্দিতা দাস বৰ্মন আৰু অসীম কলিতাই কবিতা পাঠ কৰে। শিশু শিল্পী উৰ্মিলা দাস, দেৱ ৰয়, চুনু ৰয় আৰু কমল বাহাদুৰৰ কবিতা আবৃত্তিয়ে দৰ্শকক আপ্লুত কৰে।

## বেলতলাত ভয়াৱহ অগ্নিকাণ্ড ঃ কাপিশ ৰেষ্টুৰেণ্টৰ ৫ লাখ টকাৰ সামগ্ৰী ভস্মীভূত



**প্ৰতিদিন মহানগৰ সেৱা, খানাপাৰা, ২৭ মে’ ঃ** মহানগৰীৰ বেলতলাত আজি দুপৰীয়া সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ড। আজি বাছ ষ্টপৰ সমীপৰ ব্ৰহ্মপুত্ৰ এপাৰ্টমেণ্টৰ তলৰ মহলাৰ কাপিশ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানত দুপৰীয়া প্ৰায় ২ বজাত সূত্ৰপাত হোৱা জুইত ভস্মীভূত হয় ব্যৱসায়িক প্ৰতিষ্ঠানখন। ছমহলীয়া এপাৰ্টমেণ্টৰ ‘গ্ৰাউণ্ড ফ্ল’ৰ’ত থকা ৰেষ্টুৰেণ্টখনৰ পৰা কোনোমতে প্ৰাণ ৰক্ষা কৰি বাহিৰলৈ ওলাই আহে গ্ৰাহক-কৰ্মচাৰীসকল। ৰেষ্টুৰেণ্টখনত সূত্ৰপাত হোৱা জুয়ে কিছুসময় পাচতে অট্টালিকাটোৰ প্ৰথম মহলালৈ বিয়পি পৰে। অৱশ্যে স্থানীয় ৰাইজ, আৰক্ষী আৰু দিছপুৰৰ পৰা অহা অগ্নিনিৰ্বাপক সংগঠনৰ লোকৰ তৎপৰতাত জুই নিৰ্বাপণ কৰা হয়। ৰাজপথৰ সমীপতে সংঘটিত অগ্নিকাণ্ডটোৰ ফলত বশিষ্ঠ-লাষ্টগে’ট পথছোৱাত প্ৰায় আধা ঘণ্টা সময় যাতায়াত বিঘ্নিত হয়। সময়মতে জুই নিৰ্বাপিত হোৱাৰ ফলত ভয়ংকৰ অঘটনৰ পৰা কথমপি ৰক্ষা পৰে বৃহৎ অঞ্চলটো। জানিব পৰামতে পাঁচ লক্ষাধিক টকাৰ সামগ্ৰী জুইত জাহ যায়।

## আৰক্ষীক মেনেজ কৰি নিশা ১২ বজালৈ বিক্ৰীৰ অভিযোগ

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত ৰাষ্ট্ৰীয় পথৰ দাঁতিত সুৰাৰ বিপণী



**প্ৰতিদিন মহানগৰ সেৱা, জালুকবাৰী, ২৭ মে’ ঃ** উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশক অংগুষ্ঠ দেখুৱাই জালুকবাৰীত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত সুৰাৰ বিপণী চলি থকাৰ গুৰুতৰ অভিযোগ উঠিছে। ইতিমধ্যে বিষয়টোক কেন্দ্ৰ কৰি অঞ্চলটোৰ সচেতন ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি সাতমাইলত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদৰ পৰা মাত্ৰ কেইমিটাৰমান নিলগত থকা এই সুৰাৰ বিপণীখনত পুৱা ১০ বজাৰ পৰা নিশা প্ৰায় ১২ বজাপৰ্যন্ত সুৰা বিক্ৰী কৰা হয়। প্ৰায় ২ বছৰ পূৰ্বৰে পৰা চলি থকা সুৰাৰ বিপণীখনৰ স্বত্বাধিকাৰীয়ে স্থানীয় আৰক্ষীক মাহেকীয়া হিচাপত ধনৰ টোপোলাৰে মেনেজ কৰি থকাৰো অভিযোগ উঠিছে। এই বিপণীখনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়, অসম অভিযান্ত্ৰিক মহাবিদ্যালয়, জি আই এম টি আদিত অধ্যয়নৰত একাংশ ছাত্ৰ-ছাত্ৰীয়ে নিশা ১২ বজাপৰ্যন্ত সুৰা ক্ৰয় কৰি সুৰাৰ ৰাগিত মতলীয়া হৈ অঞ্চলটোৰ পৰিৱেশ বিনষ্ট কৰা বুলিও অভিযোগত প্ৰকাশ। লক্ষণীয় বিষয় যে যি সময়ত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ পৰা সুৰাৰ বিপণীসমূহ স্থানান্তৰ কৰাৰ নিৰ্দেশ দিয়া হৈছে, সেই সময়তে উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ জালুকবাৰীৰ সাতমাইলত অবৈধভাৱে সুৰা বিক্ৰী হৈ আছে। তৎসত্বেও এইক্ষেত্ৰত গুৰুত্ব নাই চৰকাৰী পক্ষৰ।



■ ৰবীন্দ্ৰনাথ ঠাকুৰৰ জয়ন্তী উপলক্ষে সুৰ সংগম সংগীত মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ ‘ৰবিপ্ৰণাম’

### গুৱাহাটী বিশ্ববিদ্যালয়

## বিশ্ব পৰিবেশ দিৱসৰ আয়োজন

**প্ৰতিদিন মহানগৰ সেৱা, জালুকবাৰী, ২৭ মে’ ঃ** গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত অহা ৫ জুনত বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন কৰা হ’ব। দিৱস উপলক্ষে উক্ত দিনা বিশ্ববিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিবেশ বিজ্ঞান বিষয়ক চিত্ৰাংকণ, কুইজ আৰু প’ষ্টাৰ মেকিং প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। তদুপৰি শিক্ষাৰ্থীৰ মাজত পৰিবেশ সজাগতা সৃষ্টিৰ বাবে এখন প্ৰদৰ্শনীও অনুষ্ঠিত হ’ব। ফণীধৰ দত্ত সভাগৃহত আয়োজিত এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° কৃষ্ণগোপাল ভট্টাচাৰ্য আৰু অসম চৰকাৰৰ উচ্চ শিক্ষা সঞ্চালক বাবুলাল শৰ্মাই। সবিশেষ জানিবলৈ www.gauhati.ac.in চাৰ্চ কৰিব পাৰিব।